# Telephone conversation between PM and Prime Minister of the Socialist Republic of Vietnam

April 13, 2020

# ভাৰত আৰু ভিয়েটনাম সমাজবাদী গণৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 13, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ভিয়েটনাম সমাজবাদী গণৰাজ্যৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী গুৱেন ফুকৰ সৈতে টেলিফোনযোগে বাৰ্তালাপত মিলিত হয়। দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ ফলত দেখা দিয়া পৰিস্থিতি আৰু লগতে ইয়াৰ প্ৰভাৱ কম কৰিবৰ কাৰণে পৰস্পৰ দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আলোচনা কৰে।

উভয় নেতাই প্ৰয়োজনীয় চিকিত্সা সৰঞ্জামৰ সৰবৰাহৰ সৈতে ক'ভিড-19ৰ বিৰুদ্ধে যুঁজত পৰস্পৰে সাম্ভাৱ্য দ্বিপাক্ষিক সহযোগিতা আগবঢ়াবৰ কাৰণে সহমত পোষণ কৰে। তেওঁলোকে পৰস্পৰৰ নাগৰিকসকলক প্ৰয়োজনীয় সাহাৰ্য প্ৰদানৰ বাবেও মান্তি হয়।

দুয়োগৰাকী নেতাই ভাৰত আৰু ভিয়েটনামৰ মাজত কৌশলগত অংশীদাৰিত্বৰ গুৰুত্বৰ ওপৰতো জোৰ দিয়ে আৰু সম্প্ৰতি বিভিন্ন ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বাবেও সন্তোষ প্ৰকাশ কৰে। তেওঁলোকে লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় উন্নয়নৰো পৰ্যালোচনা কৰে।

মহামাৰী মোকাবিলা ব্যৱস্থাপনাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ অন্যান্য দিশসমূহৰ ক্ষেত্ৰত দুয়ো দেশৰ বিষয়াসকলে অনাগত দিনত সমন্বয় বজাই ৰাখি কাম কৰি যাব বুলিও দুয়োগৰাকী নেতই সহমত ব্যক্ত কৰে।

সাম্প্ৰতিক সংকটৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোডীয়ে ভিয়েটনামবাসীৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভকামনা জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 13, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.